**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আজি ভোগালী বিহুৰ উৰুকা। নিশা সমূহীয়া ভোজ-ভাতৰ ব্যাপক প্ৰস্তুতি।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৰাক উপত্যকাৰ ৩ টা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুজিৰ চেক বিতৰণ।

৩। শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ অধিবক্তা দল নিযুক্তিৰ প্ৰস্তাৱত ৰাজ্যপালৰ অনুমোদন।

৪। শিল্পী সমৰ হাজৰিকাৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফীৰ প্ৰথমবাৰৰ বাবে ৰাজ্যলৈ আগমন।

০০০০০

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰা অনুসৰি মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰামাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৱাতে আৰম্ভ হয়। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত মাছ ধৰা ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও ওচৰৰ গাঁওবাসীয়ে নিষেধাজ্ঞা নেওচি জলাশয়সমূহত সমূহীয়াভাৱে মাছ ধৰে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষকৰ সমৃদ্ধিৰ প্ৰকাশ বুলি অভিহিত কৰে। তেওঁ কয়, যে ভোগালী মানে মিলা-প্ৰীতিৰে একেলগে এসাঁজ খাই আত্মীয়তাক উদযাপন কৰাৰ নাম।

গুৱাহাটী মহানগৰীৰ উজান বজাৰৰ মাছৰ বজাৰত উৰুকা উপলক্ষে আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত মেজি আৰু ভেলাঘৰ সাজি ভোজ ভাত খোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ বাণীপুৰত ৰংঘৰৰ আৰ্হিত সজা ভেলাঘৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। জিলা প্ৰশাসনে উৰুকা আৰু মাঘ বিহু উপলক্ষে মাছ-মাংস, গাখীৰ-দৈকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ বজাৰমূল্য অতিৰিক্তভাৱে বৃদ্ধি নকৰিবলৈ বেপাৰীসকলৰ কাৰণে এখন নিৰ্দিষ্ট মূল্য তালিকা প্ৰকাশ কৰিছে। জিলাখনৰ চৌকিদিঙিত আজি উৰুকা উপলক্ষে স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে উপস্থিত হৈ ৰাজ্যবাসীক ভোগালী বিহুৰ ওলগ জনোৱাৰ লগতে এফাকি বিহু গাই বিহুৰ শুভেচ্ছা জনায়।

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি ডাকৰঘাট যমুনা জলাহ বিলত পুৱাৰ ভাগতে মৎস্য চিকাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাখনৰ জাকৰুৱা বিলত সহস্ৰাধিক লোকে মৎস্য চিকাৰত অংশগ্ৰহণ কৰিছে।

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰ অঞ্চলত থকা জেৰেঙা পথাৰৰ বিলসমূহৰ লগতে ভটিয়াপাৰাৰ বিলসমূহৰ পাৰত আজি পুৱাৰে পৰা মাছ ক্ৰয় কৰিবলৈ যথেষ্ট সংখ্যক লোক উপস্থিত হয়।

কাছাৰ জিলাতো মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। জিলাখনৰ বিভিন্ন গাঁও আৰু চহৰাঞ্চলত সৃষ্টিশীল আৰ্হিত ভেলাঘৰ সাজি উলিওৱা হৈছে। পৰম্পৰাগত খাদ্য সম্ভাৰেৰে ভোগালীক আদৰিবলৈ কাছাৰ জিলাৰ ৰাইজ সাজু হৈছে।

গোৱালপাৰা আৰু ধুবুৰী জিলাতো বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে উলহ মালহেৰে উৰুকা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। গোৱালপাৰাত মাঘ বিহুৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা ৰছিদুল হুছেইনৰ চমু প্ৰতিবেদন–

**ভইচকাষ্ট**

হোজাই জিলাৰ মীন বিভাগে আজি উৰুকা উপলক্ষে বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

০০০০০

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি সন্মান জনাই হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ কৰ্তৃপক্ষই পৰম্পৰাগত বুলবুলি চৰাইৰ যুঁজ খেল বাতিল কৰাৰ সিদ্ধান্ত লৈছে। পৰম্পৰা অনুসৰি মাঘৰ দোমাহীত মন্দিৰৰ বাকৰিত এই খেল অনুষ্ঠিত কৰা হয়। উচ্চতম ন্যায়ালয়ে ২০১৫ চনত এই খেল অনুষ্ঠিত কৰাত নিষেধাজ্ঞা জাৰি কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি খেল পৰিচালনা সমিতিয়ে বুলবুলি চৰাইৰ খেল বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত পৰিচালনা সমিতিৰ এগৰাকী সদস্যই এইদৰে কয়।

বাইট

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকাৰ ৩ টা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুজিৰ চেক বিতৰণ কৰে। তেওঁ উত্তৰ কৰিমগঞ্জ বিধান সভা সমষ্টিৰ ১৪ হাজাৰ ১৩৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাসকলক আৰ্থিকভাৱে সবল কৰি ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ বিকাশ সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ মহিলাসকলক এই ধনৰাশিৰ যথোচিত ব্যৱহৃণেৰে স্বাৱলম্বনৰ পথ মুকলি কৰিবলৈ আহ্বান জনায়। ড° শৰ্মাই ইয়াৰ পাছত কাটিগড়া আৰু বৰখলা বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ মহিলাসকলকো উদ্যমিতা আঁচনিৰ অধীনত চেক প্ৰদান কৰে। কাটিগড়া বিধানসভা সমষ্টিত ১৮ হাজাৰ ৫৭৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বৰখলা সমষ্টিৰ ১৯ হাজাৰ ৭৫৬ গৰাকী উদ্যমী মহিলাক চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিয়ে মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ লগতে বিকশিত নতুন অসম গঢ়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকালৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ পূৰ্বে কাছাৰ জিলাৰ শিলচৰত সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ৰাজ্য চৰকাৰৰ বিশেষ অধিবক্তা দল নিযুক্তি প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেটৰ অনুমোদন মৰ্মে ৰাজ্যপালগৰাকীয়ে ৫গৰাকী অধিবক্তাক আজি বিশেষ ওকালতিৰ দায়িত্ব অৰ্পণ কৰে। কিংবদন্তি শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ ওকালতি কৰাৰ বাবে জিয়াউল কামাৰ ক বিশেষ লোক ফৰিয়াদি হিচাপে নিযুক্তিত অনুমোদন দিয়া হৈছে। একেদৰে তেওঁক সহায় কৰাৰ বাবে অতিৰিক্ত লোক ফৰিয়াদি হিচাপে ব্ৰজেন্দ্ৰ মোহন চৌধুৰী, সহকাৰী বিশেষ লোক ফৰিয়াদি হিচাপে কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু বিকাশ জামাৰৰ নিযুক্তিত অনুমোদন দিয়া হৈছে।

০০০০০

অসমীয়া সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। নৱগ্ৰহ শ্মশানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৭৯ বছৰত দেহাৱসান ঘটা শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দিলীপ শইকীয়াই ৰাজ্যৰ সংগীত জগতলৈ শিল্পীগৰাকীৰ অৱদানৰ কথা এইদৰে স্মৰণ কৰে।

**বাইট**

ইয়াৰ পূৰ্বে গুৱাহাটীৰ নিজৰাপাৰৰ বাসগৃহত গুণমুগ্ধসকলে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মন্ত্ৰী বিমল বৰাই প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত সমৰ হাজৰিকাক ৰাজ্য চৰকাৰে

মৰণোত্তৰভাৱে শিল্পী বঁটা প্ৰদান কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। পাছত তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটীৰ চৌহদলৈ অনা হয়। উল্লেখযোগ্য যে, ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ অসমীয়া সংগীত জগতৰ অমূল্য সম্পদ। অনাতাঁৰ কেন্দ্ৰ আৰু এলবামৰ বাবে গীত গোৱাৰ উপৰি তেওঁ বহুকেইখন অসমীয়া ছবিত নেপথ্য কণ্ঠশিল্পী হিচাপে কণ্ঠ নিগৰাইছে। তেওঁ উপপথ, বোৱাৰী, ঘৰ সংসাৰ, প্ৰভাতি পখীৰ গানৰ দৰে কেইবাখনো জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰত কণ্ঠদান কৰিছিল। তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠা  প্ৰথম মৰমে যদি সহাঁৰি নেপাই, কি যে ৰণাঙ্গনৰ কাহিনী, নাহৰ ফুলে জ্যোতি ফুলে আদিৰ দৰে কালজয়ী গীত আজিও শ্ৰোতাৰ হৃদয়ত সজীৱ হৈ আছে।

ooooo

পদ্মশ্ৰী সন্মানেৰে বিভূষিত বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং তেৰাঙৰ ৮৯ সংখ্যক জন্ম দিন উপলক্ষে আজি ডিফুত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিফু সাহিত্য সভাৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত ভালেসংখ্যক লোকে পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ সাঁকো স্বৰূপ, ৰংমিলিৰ হাঁহিৰ শ্ৰষ্টা ৰংবং তেৰাঙৰ জন্মদিন উপলক্ষ্যে শুভেচ্ছা জনায়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াই জন্মদিনত সাহিত্যিকগৰাকীক সাক্ষাৎ কৰি সু-স্বাস্থ্য কামনা কৰে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসা সেৱাৰ সুবিধা সন্দৰ্ভত নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ বিষ্ণুৰাম দাসৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ নগাঁও জিলাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই।

ooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মান স ৰাষ্ট্ৰীয় উদ্যানত অহা ২৩ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ ৯ দিনীয়া কাৰ্যসূচীৰে বাঁহবাৰী ৰেঞ্জৰ প্ৰথম প্ৰৱেশদ্বাৰ প্ৰাংগনত "মানাহ মহোৎসৱ" ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মানাহ মহোৎসৱ উদযাপন সমিতিৰ সভাপতি সুভাষ তিৰ্কীয়ে কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতি ত আজি মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে।   উল্লেখযোগ্য যে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকসকলৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ প্ৰতি বছৰে এই মহোৎসৱৰ আয়োজন কৰা হয়। এই মহোৎসৱত উদ্যানখনৰ দাঁতিকাষৰীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

ooooo

তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি সোণাপুৰৰ ছায়েন্স চিটী প্ৰকল্প পৰিদৰ্শন কৰে আৰু দেশৰ চতুৰ্থখন অত্যাধুনিক বিজ্ঞান নগৰীৰূপে নিৰ্মীয়মান এই প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটো অন্তিম পৰ্যায়ৰ কাম-কাজখিনি নিৰ্ধাৰিত সময়ৰ ভিতৰত ক্ষিপ্ৰতাৰে

সম্পূৰ্ণ কৰিবলৈ যাৱতীয় বিষয়া আৰু নিৰ্মাণ প্ৰতিষ্ঠানক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ বিজ্ঞান সংগ্ৰহালয় আঁচনিৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ পুঁজিৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ অত্যাধুনিক বিজ্ঞান সংগ্ৰহালয় হিচাপে এই বিজ্ঞান নগৰী প্ৰকল্প ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্পই অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰলৈ নতুন উৎসাহ কঢ়িয়াই আনিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ পাছত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰো দায়িত্বত মন্ত্ৰী মহন্তই গুৱাহাটীৰ বশিষ্ঠত নিৰ্মীয়মান অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নতুন কাৰ্যালয়ৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সচিব তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অতিৰিক্ত মুখ্য কাৰ্যবাহী বিষয়া মিনাক্ষী দাস নাথ, লোকনিৰ্মাণ বিভাগৰ গৃহ শাখাৰ অতিৰিক্ত মুখ্য অভিযন্তা মদন মোহন দাস আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াসকলো উপস্থিত থাকে।

০০০০০

নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। কামৰূপ আৰক্ষীয়ে অভিযান চলাই আমিনগাওঁত ১১ কোটি টকা মূল্যৰ বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰে। কামৰূপ অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যান কুমাৰ পাঠকৰ নেতৃত্বত এই অভিযান চলিছিল। আৰক্ষীয়ে এই অভিযানত আনোৱাৰ হুছেইন কাজি আৰু আমিনুল চিকদাৰ নামৰ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। মণিপুৰৰ পৰা নিচাজাতীয় সামগ্ৰীখিনি নামনি অসমলৈ সৰবৰাহৰ চেষ্টা চলাওতেই আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰে।

০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আজি প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ অনা হৈছে। ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ উদ্যোগত লোক কৃষ্টি সংস্কৃতিৰে ফুটবল বিশ্বকাপৰ ট্ৰফীক আদৰণি জনোৱা হয়। পুৱাৰ ভাগত বিমানবন্দৰৰ পৰা ট্ৰফী সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লিৰ ভাগত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়া হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নিশা ৮ বাজি ১০ মিনিটত এই ট্ৰফী মুকলি কৰাৰ কথা। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকিব। বিশ্বকাপ ফুটবলৰ ট্ৰফীৰ আগমন উপলক্ষে  এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰিতু ৰিবা, শংকুৰাজ, অনুভৱ জৈন, অনুষ্কা মাস্কিয়ে অংশগ্ৰহণ কৰিছে।  ৰাজ্য চৰকাৰে ট্ৰফী চোৱাৰ বাবে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত কাইলৈ  অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ভাৰত দেওবাৰে বডোডৰাত অনুষ্ঠিত প্ৰথমখন খেলত ৪ উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত